# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## *Headlines*

------------------

১।	পাকিস্তানত সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা আক্ৰমণ সুনিৰ্দিষ্ট আছিল যদিও পাকিস্তানৰ যিকোনো আক্ৰোশমূলক আক্ৰমণক ভাৰতে কঠোৰতাৰে প্ৰত্যুত্তৰ দিব বুলি বৈদেশিক সচিবৰ ঘোষণা।

২।	সন্ত্ৰাসবাদৰ উচিত প্ৰত্যুত্তৰ দিয়াৰ ক্ষেত্ৰত নতুন দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত ৰাজনৈতিক দলৰ নেতাসকলৰ একত্ৰ সমৰ্থন প্ৰকাশ।

৩।	আয়াৰলেণ্ডৰ বিজ্ঞানী আৰু আই আই টি কানপুৰৰ যৌথ উদ্যোগত বিকশিত প্ৰযুক্তিৰ সহায়ত দীঘলীপুখুৰীৰ পানীৰ গুণগত মান উন্নীত কৰাৰ অভিলাষী আঁচনি।

৪।	পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা সম্পৰ্কত বিভিন্ন জিলাত প্ৰস্তুতিমূলক বৈঠক সম্পন্ন।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাৱ কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

ooooo

পেহেলগাম আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে কেৱল পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিতহে আক্ৰমণ চলাই ভাৰতে সিন্দুৰ অভিযান আৰম্ভ কৰিছিল যদিও পাকিস্তানৰ আক্ৰোশমূলক প্ৰত্যাক্ৰমণৰ উচিত প্ৰত্যুত্তৰ হিচাপে এই অভিযান অব্যাহত ৰাখিব। প্ৰতিৰক্ষা আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি আয়োজন কৰা এখন সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে কয় যে ভাৰতে সংযতভাৱে চলোৱা এই আক্ৰমণত কোনো অসামৰিক লোক নাইবা সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা নাছিল যদিও পাকিস্তানে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত ১৬গৰাকী নিৰীহ ভাৰতীয়ৰ ওপৰত আক্ৰমণ চলাই নিহত কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে পাকিস্তানৰ লাহোৰত থকা প্ৰতিৰক্ষা প্ৰণালীৰ ওপৰত আক্ৰমণ কৰি ধ্বংস কৰিছে বুলি বিদেশ সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে যুদ্ধৰ উত্তেজনা সৃষ্টিৰ পৰিৱৰ্তে কেৱল সন্ত্ৰাসবাদীৰ আক্ৰমণৰ কঠোৰ প্ৰত্যুত্তৰ দিছিল। কোনো সন্ত্ৰাসবাদী দেশখনত নাই বুলি পাকিস্তানে দীৰ্ঘদিন ধৰি কৰি অহা দাবী নস্যাৎ কৰি সীমান্তত ধাৰাবাহিকভাৱে যুদ্ধবিৰতি উলংঘা কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। তদুপৰি পাকিস্তানৰ নীলম আৰু ঝেলাম প্ৰকল্পত ভাৰতে আক্ৰমণ কৰা বুলি তোলা অভিযোগ সম্পূৰ্ণ মনে সজা আৰু ভিত্তিহীন বুলি শ্ৰীমিশ্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰতে ধৈৰ্য আৰু সহনশীলতাৰে ৬৫ বছৰ ধৰি সিন্ধু জল চুক্তি মানি আহিছিল যদিও পাকিস্তানৰ বৰ্বৰ কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত এই চুক্তি ভংগ কৰিবলৈ বাধ্য হৈছে। সমগ্ৰ বিশ্বৰ সকলো ধৰ্মৰ লোকে এই আক্ৰমণক একেমুখে গৰিহণা দিছে বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদ

মেলত কৰ্ণেল ছ'ফিয়া কুৰেছী আৰু উইং কামাণ্ডাৰ ব্যোমিকা সিঙে ভাৰতৰ সুৰক্ষা বাহিনীয়ে পাকিস্তানক দিয়া যোগ্য প্ৰত্যুত্তৰ সম্পৰ্কে অৱগত কৰে।

ooooo

সন্ত্ৰাসবাদৰ বিৰুদ্ধে উচিত প্ৰত্যুত্তৰ দিয়াৰ বাবে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বীৰত্বক সকলো ৰাজনৈতিক দলৰ নেতাই প্ৰশংসা কৰিছে। **অপাৰেচন সিন্দূৰ** সন্দৰ্ভত আজি নতুন দিল্লীৰ সংসদ ভৱনত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত ৰাজনৈতিক দলৰ নেতাসকলে এই অভিযানৰ প্ৰতি একমুখে সমৰ্থন প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা এই বৈঠকত বহুকেইটা দলৰ নেতাসকলে অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীসিঙে ভাৰতে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত চলোৱা আক্ৰমণৰ সবিশেষ প্ৰকাশ কৰে।

**বাইট (ৰাজনাথ সিং)**

বৈঠকৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সাংবাদিকৰ আগত কয়, যে এই বৈঠক গঠনমূলক আছিল আৰু দেশে সম্প্ৰতি সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ কথা অনুধাৱন কৰি প্ৰতিগৰাকী নেতাই অতি পৰিপক্কতাৰে তেওঁলোকৰ মত ব্যক্ত কৰিছিল। দেশৰ এনে গুৰুত্বপূৰ্ণ সময়ত ৰাজনীতিৰ বাবে কোনো স্থান নাই বুলি বিভিন্ন দলৰ নেতাসকলে মত প্ৰকাশ কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে চৰকাৰৰ প্ৰতি তেওঁলোকৰ পূৰ্ণ সমৰ্থন আগবঢ়ায়। এ আই এম আই এমৰ নেতা আছাদউদ্দিন ওৱেছিয়েও এই অভিযানৰ বাবে সশস্ত্ৰ বাহিনী আৰু চৰকাৰৰ শলাগ লয়।

ইপিনে **অপাৰেচন সিন্দূৰৰ** পাছত সামাজিক মাধ্যমত প্ৰচাৰ হোৱা কেতবোৰ ভুৱা বাতৰিক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এনে খবৰক বিশ্বাস নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

**বাইট (কিৰেন ৰিজিজু)**

ooooo

দিল্লী বিমানবন্দৰৰ পৰা যাত্ৰা কৰিবলগীয়া আৰু বিমানবন্দৰত অৱতৰণ কৰিবলগীয়া প্ৰায় ৯০ খন বিমানৰ সেৱা আজি পুৱা ৮ বজাৰ পৰা দিনৰ ২ বজালৈ বাতিল কৰা হয়। ইয়াৰ ভিতৰত ১১ খন আন্তঃৰাষ্ট্ৰীয় আৰু ৭৯ খন ঘৰুৱা বিমান আছে। ইয়াৰ পূৰ্বে **অপাৰেচন সিন্দূৰৰ** পৰিপ্ৰেক্ষিতত জম্মু, শ্ৰীনগৰ, লেহ, জোধপুৰ, অমৃতসৰ, ভূজ, জামনগৰ, চণ্ডীগড় আৰু ৰাজকোট বিমানবন্দৰত অহা ১০ মে' লৈকে সকলো ঘৰুৱা বিমান যাত্ৰা বাতিল কৰা হৈছিল।

ooooo

সেনাবাহিনীয়ে পাকিস্তানত থকা সন্ত্ৰাসবাদীৰ ঘাটিৰ ওপৰত চলোৱা **অপাৰেচন সিন্দূৰ** ভাৰতীয় বায়ুসেনা বাহিনী আৰু স্থলসেনা বাহিনীৰ বৃত্তিগত উৎকৃষ্টতাৰ নিদৰ্শন বুলি অৱসৰপ্ৰাপ্ত উইং কমাণ্ডাৰ জগদীশ ভট্টাচাৰ্যই মত প্ৰকাশ কৰিছে। আকাশবাণীৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে হোৱা কথা বতৰাত ১৯৭১ৰ ভাৰত-পাক যুদ্ধৰ অন্যতম নায়ক উইং কমাণ্ডাৰ ভট্টাচাৰ্যই কয়, যে পাকিস্তানৰ আভ্যন্তৰৰ

নিৰ্দিষ্ট লক্ষ্যত আকাশমাৰ্গেৰে সম্পূৰ্ণ সঠিকভাৱে আক্ৰমণ চলোৱা হৈছিল আৰু ই ইংগিত লক্ষ্য সাধনত সফল হৈছে।

**বাইট (জগদীশ ভট্টাচাৰ্য)**

ooooo

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১০ মে' শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বায়ুসেনা বাহিনীৰ বিষয়া আৰু জ্যেষ্ঠ নাগৰিকসকলে এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। এই অনুষ্ঠানৰ উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

অসম পৰ্যটন উন্নয়ন নিগমে ঐতিহাসিক দীঘলীপুখুৰীৰ পানী পৰিস্কাৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। পৰ্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক পদ্মপাণি বৰাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। সেই অনুসৰি আয়ৰলেণ্ডৰ এগৰাকী বিজ্ঞানী উদ্ভাৱন কৰা আৰু আই আই টি কানপুৰৰ দ্বাৰা পৰীক্ষণ সম্পন্ন হোৱা স্মাৰ্ট অ'প্ছ নামৰ এটা পাৰিপাৰ্শ্বিক প্ৰযুক্তি কোম্পানীৰ সহায়ত দীঘলীপুখুৰীৰ পানী পৰিস্কাৰ কৰি তোলাৰ লগতে ইয়াৰ গুণগত মান উন্নীত কৰা হ'ব। নিগমৰ সঞ্চালকগৰাকীয়ে কয় যে এই প্ৰযুক্তি ইতিমধ্যে ইউৰোপ, আফ্ৰিকাৰ বহু দেশত প্ৰদূষিত পানী বিশুদ্ধ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ জৰিয়তে বিশেষ ব্যৱস্থাৰে পানীৰ সেউজীয়া প্ৰলেপ, দুৰ্গন্ধ, শেলুৱৈ আৰু আৱৰ্জনা নিষ্কাষণ কৰিব পৰা যাব। ইয়াৰ ফলত পানীৰ অক্সিজেনৰ পৰিমাণ বৃদ্ধি পাব বুলি সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ অহা ১১ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। ডিব্ৰুগড় জিলাত ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ এই প্ৰক্ৰিয়াত নিয়োজিত মাইক্ৰ' অবজাৰভাৰ, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ আজি অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত আজি এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত কেইবাগৰাকীও বিশেষজ্ঞ প্ৰশিক্ষকে ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত বিষয়াসকলক প্ৰশিক্ষণ দিয়ে।

তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ব্যৱস্থা সন্দৰ্ভত জিলাখনৰ সকলো পঞ্জীভুক্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে জিলা আয়ুক্ত স্বপ্নীল পালে কালি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগণনা সুকলমে স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ৰাজনৈতিক দল তথা প্ৰাৰ্থীসকলে পালন কৰিবলগীয়া কৰ্তব্য সন্দৰ্ভত আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে এই ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ সহায় সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত অন্য জিলাসমূহৰ লগতে তিনিচুকীয়া জিলাতো ১১ মে'ৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। জিলা সদৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰূমৰ উপৰি তিনিওখন সমজিলাতে একে সময়তে ভোটগণনা কৰা হ'ব। প্ৰতিটো জিলা পৰিষদ সমষ্টিৰ বাবে একোটাকৈ গণনা কক্ষ স্থাপন কৰা হৈছে। এইবাৰৰ নিৰ্বাচনত জিলাখনৰ মুঠ এহেজাৰ

৯৯৮গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'ব। জিলাখনৰ ১০খন আঞ্চলিক পঞ্চায়ত আৰু ৯৪টা ৱাৰ্ডত বিনা প্ৰতিদ্বন্দ্বিতাৰে প্ৰাৰ্থী নিৰ্বাচিত হৈছে।

শোণিতপুৰ জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। সেই অনুসৰি ভোটগণনাৰ দিনা তেজপুৰত সুৰক্ষা ব্যৱস্থাকে ধৰি সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি শোণিতপুৰ জিলা দণ্ডাধীশে এলানি নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি দৰং মহাবিদ্যালয়ত স্থাপন কৰা ভোটগণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসমাবেশ, যান-বাহনৰ পাৰ্কিং, অস্থায়ী বিপণী খোলা আৰু ফটকা ফুটোৱা নিষিদ্ধ কৰা হৈছে। গণনা কেন্দ্ৰৰ বাহিৰত অস্ত্ৰসদৃশ সামগ্ৰী ৰখাৰ লগতে পৰিচয়বিহীন লোকৰ প্ৰবেশ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা অনুসৰি শাস্তি বিহা হ'ব বুলি কোৱা হৈছে।

ooooo

বিটিচি চৰকাৰে আজি ২০২৫-২৬ বৰ্ষৰ বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্ম ছুপাৰ ফিফটি প্লাছ মিছন মেডিকেলৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বড়োফা ইউ এন ব্ৰহ্ম ছুপাৰ ফিফটি প্লাছ মিছন হৈছে বিটিআৰৰ চিকিৎসা শিক্ষাৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়া ক'চিং প্ৰদান কৰাৰ বাবে বিটিচি চৰকাৰে গ্ৰহণ কৰা এটা পদক্ষেপ। কোকৰাঝাৰত আজি বিটিচিৰ কাৰ্যবাহী সদস্য উইলছন হাছদাই সাংবাদিকৰ আগত ফলাফল সন্দৰ্ভত কয়, যে এইবছৰৰ এই ক'চিং প্ৰগামৰ বাবে ৬৬ গৰাকী শিক্ষাৰ্থী নিৰ্বাচিত হৈছে। ইয়াৰ ভিতৰত ৩৫ গৰাকী অনুসূচীত জাতি আৰু ১৬ গৰাকী অন্যান্য সম্প্ৰদায়ৰ বুলি তেওঁ প্ৰকাশ কৰে। প্ৰৱেশ পৰীক্ষাত মুঠ ৬৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল বুলি তেওঁ সদৰি কৰে।

ooooo

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। কাইলৈ পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

ooooo

বজালী জিলাৰ পাটাছাৰকুছিৰ বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ মহাবিদ্যালয়খনৰ ডি এল-এডৰ দ্বিতীয় ষান্মাষিকৰ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ বাবে কৰ্মশালা অনুষ্ঠিত হৈছে। মহাবিদ্যালয়খনৰ শৈক্ষিক উপদেষ্টা ড০ হোমেশ্বৰ দাসৰ পৃষ্ঠপোষকতাত অনুশিক্ষণ শীৰ্ষক কৰ্মশালাখন উদ্বোধন কৰি সাংবাদিক আমিনুল হকে এগৰাকী ভাল শিক্ষক

হ'বলৈ হ'লে জ্ঞান অৰ্জনৰ লগতে কৌশল আয়ত্ত কৰিব লাগিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ নৱনিযুক্ত অধ্যক্ষ ড০ কিশোৰ কুমাৰ ৰয় আৰু উপাধ্যক্ষ ড০ চন্দনা দেৱীয়ে অনুশিক্ষণ পদ্ধতিৰ দ্বাৰা শিক্ষক-প্ৰশিক্ষাৰ্থীসকলে নিজৰ দক্ষতা বিকাশৰ সুযোগ লাভ কৰে বুলি মন্তব্য কৰে। এই কাৰ্যসূচীত কেইবাগৰাকীও সমল ব্যক্তি আৰু ভালেসংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

ooooo

বনৰীয়া কাঠফুলা সেৱনৰ ফলত হ'ব পৰা ক্ষতি তথা এইক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত তিনিচুকীয়া জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডা০ জয়ন্ত ভট্টাচাৰ্যই আজি এখন সংবাদমেলত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই সংবাদমেলত বনৰীয়া কাঠফুলা সেৱনৰ ফলত হ'ব পৰা মাৰাত্মক বিষক্ৰিয়াৰ বিষয়ে অৱগত কৰা হয়। খাদ্য হিচাপে গ্ৰহণৰ বাবে উৎপাদিত কাঠফুলাৰ বাহিৰে আন যিকোনো ধৰণৰ কাঠফুলা ভক্ষণ নকৰিবলৈ ডা০ ভট্টাচাৰ্যই সকলোকে পৰামৰ্শ দিয়ে। উল্লেখযোগ্য যে জিলাখনৰ চাহ বাগিচা অঞ্চলসমূহত প্ৰতিবছৰে কাঠফুলা ভক্ষণৰ ফলত বহু লোকক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এপ্ৰিলৰ পৰা জুলাই, আগষ্ট মাহলৈ বাগিচা অঞ্চলসমূহত বিষাক্ত কাঠফুলা গজিবলৈ আৰম্ভ কৰে। কোনো লোকে যাতে এইসমূহ খাদ্য হিচাপে গ্ৰহণ নকৰে তাৰ প্ৰতি সজাগ কৰাৰ উদ্দেশ্যে এই সংবাদমেলৰ আয়োজন কৰা হয়।

ooooo

বড়ো সমাজ সংস্কাৰক গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ৮৮ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে কোকৰাঝাৰৰ গুৰুধাম কাজিগাঁৱত আজি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লৈ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই গুৰুধাম কাজিগাঁৱত কালিচৰণ ব্ৰহ্মৰ সমাধিস্থল নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত